অধ্যায় ১২ ঃ সমাজবাদ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ সমাজবাদৰ প্ৰকৃতি

১২.৪ সমাজবাদৰ প্ৰকাৰ

১২.৫ সমাজবাদৰ গুণ আৰু অৱগুণ

১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৭ অধিক জানিবলৈ

১২.৮ অগ্ৰগতিৰ খতিয়ান

১২.৯ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সমাজবাদৰ অর্থ আৰু সংজ্ঞা সম্পর্কে জানিব পাৰিব
- সমাজবাদৰ প্ৰকৃতি আৰু প্ৰকাৰ সম্বন্ধে জানিব পাৰিব
- সমাজবাদৰ গুণ আৰু অৱগুণ সম্পর্কে জানিব পাৰিব।

১২.২ পৰিচয়

সমাজবাদ নামৰ পদটোৱে এনেকুৱা ব্যৱস্থা এটাক নির্দেশ কৰে য'ত বস্তুৰ আৰু কর্মৰ উৎপাদন আৰু বিতৰণ এটা দল বা শ্ৰেণীৰ মানুহৰ দায়িত্ব হয় সমাজবাদ অর্থনৈতিক আৰু ৰাজনৈতিক তত্বৰ ওপৰত নির্ভৰশীল যিয়ে সমষ্টিবাদক সমর্থন কৰে। সমাজবাদী ৰাষ্ট্ৰ এখনত কোনো ধৰণৰ ব্যক্তিগত সম্পত্তি নাথাকে। কার্লমার্ক্সৰ দ্বাৰা বিকশিত তত্ববোৰত সমাজবাদ হ'ল পুজিবাদ আৰু সাম্যবাদৰ মাজৰ এক মাধ্যমমাধ্যমিক ব্যৱস্থা যিয়ে বিশ্বাস কৰে যে সকলো মানুহ সমান আৰু এই বিশ্বাসৰ ওপৰত আধাৰিত ব্যৱস্থাবোৰত ৰাষ্ট্ৰৰ টকা আৰু ৰাজনৈতিক ব্যৱস্থাবোৰত সমানে ভাগ লোৱা। সমাজবাদ ৰাষ্ট্ৰবোৰৰ মাজত ৱর্তি থাকিব পাৰে এক সামগ্ৰিক অর্থনৈতিক ব্যৱস্থা স্বৰূপে বা কিছুমান অংশত বা ভাগত যেনে কর্পৰেচন, স্বাস্থ্য ক্ষেত্ৰত, ৰাজহুৱা শিক্ষা বা শিক্ষা ব্যৱস্থাত।

বহুতো মানুহে সমাজবাদক এনেকুৱা এটা ব্যৱহাৰ ব্যাখ্যা কৰিবলৈ ব্যৱহাৰ কৰে য'ত এখন চৰকাৰে অৰ্থনীতিত এটা ডাঙৰ ভুমিকা পালন কৰে। উদাহৰণস্বৰূপে বহুতো বিৰোধীয়ে দাবী কৰিছিল যে ৰাষ্ট্ৰপতি বৰাক ওবামা এজন সমাজবাদী কাৰণ তেওঁ এইটো পন্থা গ্ৰহণ কৰিছিল যে চৰকাৰে মানুহৰ বা ইয়াৰ নাগৰিকৰ জীৱনৰ বিভিন্ন দিশত অংশগ্ৰহণ কৰা উচিত আৰু ইয়াৰ কাৰণ এইটো আছিল যে তেওঁ বিশ্বাস কৰিছিল যে মানুহৰ ইজন সিজনৰ প্ৰতি পৰস্পৰ বা মিলাপ্ৰীতিৰ দায়িত্ব আছে।

'সমাজবাদ' (Socialism) শব্দটো ১৮৩০ চনত গ্ৰহণ কৰা হৈছিল আৰু কোনো বিশেষ ৰাজনৈতিক মতামতকৈ এটা দাৰ্শনিক বা নৈতিক বিশ্বাসকহে বুজাবলৈ ইয়াক ব্যৱহাৰ কৰা হৈছিল। উদাহৰণস্বৰূপে আলেকজেণ্ডাৰ ভিনেট যি পোন প্ৰথমবাৰৰ বাবে এই পদটো ব্যৱহাৰ কৰিছিল তেওঁ সাধাৰণভাৱে সমাজবাদৰ এনেদৰে সংজ্ঞা দিছিল "The opposite of individualism" ৰবাৰ্ট অৱনেও সমাজবাদক নীতিবিজ্ঞানৰ এক বিষয় হিচাপে মত পোষণ কৰিছিল যদিও তেওঁ সমাজবাদ নামৰ পদটোক অলপ বেছি বিশেষভাৱে এই মতামতটো বুজাবলৈ ব্যৱহাৰ কৰিছিল যে সকলোৰে ভালৰ বাবে মানৱ সমাজৰ বিকাশ সাধন কৰিব লাগে। একেদৰেই, Pierre - Joseph Proudhon এ দাবী কৰিছিল যে সমাজবাদ হ'ল "Every aspirations fowerds the amelioration of society"

এনড্রিউ ভিনচেণ্টৰ মতে, "[+] he woad 'socialism finds its root in the latin sociare, which means to Combine or to share. The related, more technical term in Roman and them medieval law was societas. This latter woad could mean companionship and fellowship as well as the more legalistic idea of a consensual contract between fremen".

মৰিচ কৰ্ণৰ্ফটে সংজ্ঞা দিছিল, "Socialism is the social ownership of means of production and taeir utilization to satisfy the material and cultural requiremants of the whole of society. Socialism is necessary because only by such a redical transformation of economic basic of society can the evils resultiag from capitalism be done qwqy with and how powerful techaiques be fully utilized."

১২.৩ সমাজবাদৰ প্ৰকৃতি

সমাজবাদ হ'ল অৰ্থনৈতিক আৰু সামাজিক ব্যৱস্থা সমূহৰ এক ক্ষেত্ৰ যি উৎপাদন আৰু কৰ্মী বা বনুৱাৰ আত্ম-পৰিচালনাৰে গঠিত হোৱা সামাজিক নিজস্বীকৰণ আৰু য'ত এইবোৰৰ লগত জড়িত হৈ থাকে ৰাজনৈতিক তত্ব আৰু আন্দোলন। এই সামাজিক নিজস্বীকৰণ ৰাজহুৱা,

সমষ্টিগত বা সমবায়ী নিজস্বীকৰণ, বা সমতাৰ ভিত্তিত স্থাপন হোৱা নাগৰিকৰ নিজস্বীকৰনো হ'ব পাৰে।

'সমাজবাদ' (Socialism) পদটো পিয়াৰ লিৰক্স (Pierre Leroux) আৰু ফ্রান্সৰ (Marie Roch Louis Reybaud) ক সমৰ্পিত কৰিব পাৰি; আৰু লগতে ব্রিটেইনৰ ৰবাৰ্ট অৱনক সমৰ্পিত কৰিব পাৰি যি আছিল এই সমবায়ী আন্দোলনৰ প্রথম প্রৱক্তা ১৮৬০ চনত স্থাপন কৰা 'সমাজবাদ' ৰ আধুনিক সংজ্ঞা আৰু ব্যৱহাৰ প্রধান হিচাপে দেখা দিছিল আগতে একেধৰণে বা একে অর্থত ব্যৱহাৰ হোৱা কিছুমান শব্দৰ দল যেনে "Co-operative", "Mutualist" আৰু "Associationist" মাজত এই সময়খিনিৰ ভিতৰতে "Communism" (সাম্যবাদ) ৰ ধাৰণা বা পদটোৱে বিফল হৈছিল, ১৮৪০ চনৰ পৰা সমাজবাদ আৰু সাম্যবাদৰ মাজত পার্থক্য কৰি থকা স্বত্তেও সমাজবাদ আৰু সাম্যবাদৰ মাজত আগৰে পৰা থকা এটা পার্থক্য হ'ল সমাজবাদে কেৱল উৎপাদনৰ সামাজিকীকৰণ কৰিবলৈ চেষ্টা কৰে আনহাতে সাম্যবাদে উৎপাদন আৰু ভোগ (in the form of free access to fiual goods) দুয়োটাৰে সামাজিকীকৰণ বিচাৰে। তথাপিও, মার্ক্সবাদী সকলে 'সাম্যবাদ' ৰ ঠাইত ১৮৮৮ চনলৈকে 'সমাজবাদ' শব্দটোক ব্যৱহাৰ কৰিছিল, যাক সমাজবাদৰ এক পুৰণা ধৰণৰ সমার্থক শব্দ হিচাপে গণ্য কৰা হয়। এয়া ১৯১৭ চনত Bolshevik বিপ্লৱৰ পিছতহে যে "সমাজবাদ"ৰ তত্বটোৱে পুজিবাদ আৰু সাম্যবাদৰ মাজত এক পৃথকতা/পার্থক্যতা নির্দেশ কৰিবলৈ আৰম্ভ কৰিছিল। ইয়াক আৰম্ভ কৰিছিল (Vladimir Lenin) এ পৰম্পৰাগত মার্ক্সীয় সমালোচনাৰ পৰিৱর্তে Bolshevik ৰ ক্ষমতা আহৰণ/জব্দকৰণক ৰক্ষণাবেক্ষণ দিবলৈ। মার্ক্সীয় সমালোচনাৰ মতে ৰাছিয়াৰ উৎপাদক শক্তিয়ে/শক্তিখিনি সমাজবাদী বিপ্লৱৰ বাবে উপযুক্ত ভাৱে বিকাশ কৰা নহ'ল।

বিজ্ঞান হিচাপে, সমাজবাদৰ নিজৰ আইন কানুন আৰু শ্রেণী (Categories) আছে, যিবোৰ পুজিঁবাদক সাম্যবাদীসমাজলৈ আনিবৰ বাবে হোৱা বৈপ্লৱিক পৰিৱর্তনৰ মূল দিশসমূহ উন্মুক্ত কৰে। আইন কানুন সমূহ সামাজিক বিপ্লৱৰ লগত সম্বন্ধিত, সর্বহাৰাৰ ওপৰত একনায়কত্বৰ প্রতিষ্ঠা আৰু পুজিবাদৰ পৰা সমাজবাদলৈ পৰিৱর্তন আৰু তাৰ পিছত সাম্যবাদ। এটা শ্রেণী সংগ্রামৰ বৈজ্ঞানিক সমাজবাদে বনুৱা শ্রেণীয়ে কেনেদৰে প্রতিক্রিয়া কৰে সেইবোৰকহে জড়িত কৰে। ই বৈপ্লৱিক সংঘাতৰ বাবে দিহা পৰামর্শ আগবঢ়ায়। ই এখন নতুন শ্রেণীহীন সমাজৰ নীতি নিয়ম, আইন কানুন আৰু কৌশল অন্তর্ভূক্ত কৰে। বৈজ্ঞানিক সমাজবাদ এক ধাৰণামূলক বিষয় নহয়, ই হ'ল পুজিবাদৰ পৰা সাম্যবাদলৈ হোৱা/যোৱা ঐতিহাসিক পৰিৱর্তনৰ এক সক্রিয় দিশ (Operative aspect)। বৈজ্ঞানিক সমাজবাদে বৈপ্লৱিক সংঘাতৰ বিভিন্ন স্তৰৰ লগত জড়িত হয় আৰু লগতে সমাজবাদী সমাজৰ প্রকৃতিৰ লগতো সম্বন্ধ থাকে। পুজিবাদৰ বেয়া প্রভাৱবোৰ মানুহৰ মনত এক বৃহৎ আকাৰত অসন্তুষ্টিৰ সৃষ্টি কৰিছিল আৰু সেয়েহে তেওঁলোকে তাৰ পৰা মুক্ত হ'বলৈ সমাধানৰ পথ বিচাৰি ফুৰিছিল। যিবোৰ মানুহ পুজিবাদৰ বেয়া প্রভাৱবোৰৰ প্রতি

খুব সচেতন হৈ আছিল তেওঁলোকে বিশ্বাস কৰিছিল যে কেৱল এখন সমাজবাদী সমাজেহে বনুৱা শ্ৰেণীটোক ৰক্ষা কৰিব পাৰে আৰু সাধাৰণ মানুহখিনিকো সকলোধৰণৰ শোষণ আৰু হতাশাৰ পৰা/দমনৰ পৰা মুক্ত কৰিব পাৰিব।

১৯ শ শতিকাৰ প্ৰথম ভাগতে, বহুতো লিখকে যিসকলে নিজকে সমাজবাদী বুলি ব্যাখ্যা কৰিছিল আৰু যাক পিছত আদৰ্শগত সমাজবাদী হিচাপে জনা গৈছিল তেনেকুৱা এখন সমাজৰ বিষয়ে ব্যাখ্যা দিছিল যাক তেওঁলোকে এখন আদৰ্শগত মানৱ সমাজ বুলি গণ্য কৰিছিল। তাৰ মাজৰ পৰা কিছুমানে আকৌ কিছুমান সৰু সৰু জাতি বা দল বনাই/গঠন কৰি লৈছিল যিবোৰে তেওঁলোকৰ আদৰ্শবোৰক বাস্তৱ জীৱনত ব্যৱহাৰ কৰিব পাৰে। এনেধৰণৰ আদৰ্শগত সমাজবোৰৰ এটা নিৰন্তৰ বৈশিষ্ট্য হ'ল সামাজিক আৰু অৰ্থনৈতিক সমতা। কাৰণ যিবোৰ মানুহে এনেকুৱা সমাজৰ সৃষ্টিৰ বিষয়ে ওকালতি কৰিছিল তেওঁলোকক সমাজবাদী বুলি জনা গৈছিল, 'সমাজবাদ' নামৰ শব্দটোৱে কেৱল এক নিশ্চিত বা বিশেষ নৈতিক তত্বকেই নিৰ্দেশ নকৰে, বৰঞ্চ ই এখন এনেকুৱা সমতাবাদী সমাজৰ কথা কৈছিল যিখন এনেকুৱা ধৰণৰ তত্ববোৰৰ ওপৰত নিৰ্ভৰশীল আছিল।

সমাজবাদে পুজিবাদৰ হাজিৰা কৰা বনুৱা ব্যৱস্থাটোক ধ্বংস কৰিছিল। এই অৰ্থত বনুৱাৰ শক্তিৰ কোনো ধৰণৰ বিক্ৰী নাথাকিব। সম্পূৰ্ণ বস্তু/পদাৰ্থ উৎপাদন কেৱল মূল্য ব্যৱহাৰতহে উছৰ্গা কৰা হ'ব। সকলো বিভাগতে উৎপাদনৰ হাৰ আৰু চৰিত্ৰ কেৱল সামাজিক প্ৰয়োজনীয়তাৰেহে সম্পূৰ্ণ ভাৱে পৰিচালনা কৰা হ'ব আৰু কোনো লাভ আহৰণৰ বাবে আৰু লাভ অৰ্জনৰ ইচ্ছাৰে কৰা নহ'ব। সমাজবাদৰ অৰ্থ হ'ল যে আধুনিক কৌশলবোৰৰ বিস্তৃত বিশাল সমলবোৰ মানুহৰ প্ৰয়োজনবোৰক পুৰাবলৈ বিকাশ আৰু ব্যৱহাৰ কৰা হয়। ব্যক্তিগত পৰিচালনাৰ পৰা মুক্ত হোৱা উৎপাদক শক্তিবোৰক সমাজৰ সাধাৰণ কল্যাণৰ বাবে ব্যৱহাৰ কৰা হ'ব। সমাজবাদে বৰ্দ্ধিত উৎপাদন ক্ষমতা আৰু শ্ৰমৰ অত্যাধিক মনোভাৱক গুৰুত্ব প্ৰদান কৰে। এই দুয়োটা দিশেই এটা নিৰ্দিষ্ট সন্মত উৎপন্ন হোৱা বস্তুবোৰৰ পৰিমান বঢ়াবলৈ চেষ্টা কৰে। উৎপাদনৰ পুজিবাদী মনোভাৱটোক দমন কৰি কাম কৰা দিনবোৰৰ ঘণ্টা বা সময়বোৰক প্ৰয়োজনীয়তা অনুসৰি কেৱল কাম কৰাৰ দৰকাৰ বা সময় খিনিলৈ কমাই আনিব পাৰি। অৰ্থাৎ উৎপাদনৰ ব্যৱস্থাটোৰ পৰা অপ্ৰয়োজনীয় সময়খিনি কম কৰি কেৱল প্ৰয়োজনীয় শ্ৰমৰ সময়লৈ ৰূপান্তৰিত কৰা। আকৌ সমাজবাদত প্ৰয়োজনীয় আৰু উদ্ধৃত শ্ৰমে (Surplus labour) ইয়াৰ গুৰুত্ব হেৰুৱায় বা সমাজবাদত প্ৰয়োজনীয় আৰু উদ্ধৃত শ্ৰমৰ গুৰুত্ব নাই আৰু ইয়াৰ অৰ্থও নাই। উদ্ধৃত শ্ৰমৰ পৰা নিঃসৃত হোৱা উদ্ধৃত মূল্য সমাজবাদত ধ্বংস বা নোহোৱা হৈ যায়। শ্ৰমিকে তেওঁলোকৰ নিজৰ সৃষ্টিশীল কৰ্মৰ বাবে যথেষ্ট সময় পায়। তেওঁলোকে তেওঁলোকৰ সময়বোৰ সাংস্কৃতিক কাৰ্য্যকলাপ আৰু আন আন সুন্দৰ কাম বা চেষ্টাবোৰত উচৰ্গা কৰিব পাৰে। সমাজবাদে কেৱল দৃঢ়তাৰে ভৌতিক বস্তুৰপৰাহে হোৱা বা পোৱা সন্তুষ্টিৰ কথা নকয়, বৰঞ্চ সমাজবাদে মানুহৰ

ব্যক্তিত্বৰ সৰ্বাংগিন বিকাশৰ চেষ্টা কৰে। সমাজবাদে মানুহৰ শক্তি বা ক্ষমতাক বান্ধোনৰ পৰা যুক্ত কৰাৰ প্ৰতিজ্ঞা কৰে।

উৎপাদনৰ পুজিবাদী ব্যৱস্থাই শ্ৰমৰ শ্ৰেণীবিভাজন আৰু আন বহুতো উপায়েৰে বিভিন্ন ধৰণৰ হেঙাৰ সৃষ্টি কৰিবলৈ বিচাৰে। সেইবাবে, মাৰ্ক্সে এই শ্ৰমৰ বিভাজন ব্যৱস্থাটোৰ পৰিসমাপ্তি ঘটাব বিচাৰিছিল কাৰণ এই ব্যৱস্থাটোৰ পৰা শ্ৰমিকসকলক শাৰীৰিক আৰু মানসিকভাৱে সংকুচিত কৰি আনে। সমাজবাদে এইটো নুবুজায় যে মানুহৰ বিকাশ আৰু সৃষ্টি বন্ধ হৈ যায়, কিন্তু কেৱল এইটো বুজায় যে তেওঁলোকৰ ওপৰত কোনো ধৰণৰ আৰু সামাজিক বান্ধোন বা সামাজিক প্ৰতিবন্ধক নাথাকিব। সমাজবাদত স্বাধীনতাৰ ক্ষেত্ৰ বা দুৱাৰ খন মুকলি হৈ যি বিস্তৃত হৈ পৰে বা আন কথাত সমাজবাদত স্বাধীনতাৰ পৰিসৰ বৰ্ধিতৰূপত দেখিবলৈ পোৱা যায়। শাৰীৰিক প্ৰয়োজনীয়তাৰ পৰা মুক্ত হোৱাৰ পিছত মানুহৰ বা মানুহে নিজৰ শক্তি বা সামৰ্থ্যখিনি আন কোনো মহান আৰু সুন্দৰ উদ্দেশ্যৰ পৰা ব্যৱহাৰ কৰিব পাৰিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ তলৰ বাক্যবোৰ সঁচা নে মিছা লিখক —

(ক) সমাজবাদ সেই অৰ্থনৈতিক আৰু ৰাজনৈতিক তত্ববোৰৰ ওপৰত নিৰ্ভৰশীল যিবোৰ সমষ্টিবাদক সমৰ্থন কৰে (সঁচা/মিছা)

(খ) সমাজবাদ (Socialism) পদটো Pierre Leroux আৰু ফ্ৰান্সৰ Marie Roch Lousis Reybaud ক সমৰ্পিত কৰিব পাৰি আৰু লগতে ব্ৰিটেইনৰ ক সমৰ্পিত কৰিব পাৰি, যি আছিল এই সমবায়ী আন্দোলনৰ প্ৰথম প্ৰবক্তা।(সঁচা/মিছা)

.....

.....

প্ৰশ্ন ২ ঃ সমাজবাদ কি?

.....

.....



চিন্তা চৰ্চা কৰক ১২.১

Andrew Vinceat ৰ সমাজবাদৰ সংজ্ঞা কি?

১২.৪ সমাজবাদৰ প্ৰকাৰ

Manifesto ত সমাজবাদৰ প্ৰকাৰ সম্বন্ধে এটা বৰ দৃঢ় তথা প্ৰয়োজনীয় বৰ্ণনা আছে। এই প্ৰকাৰ বা শ্ৰেণী বিভাজন মতে সমাজবাদ তিনি প্ৰকাৰৰ সামন্তবাদী সমাজবাদ, পুজিপতি সমাজবাদ আৰু আদৰ্শগত সমাজবাদ। উদ্যোগিক বিপ্লৱৰ আগতে সামন্দবাদী প্ৰভু অভিজাত শ্ৰেণী মানুহবোৰ একলগ হৈছিল আৰু তেওঁলোকে এটা শ্ৰেণী গঠন কৰিছিল যি/যাক এটা মুল শ্ৰেণী বুলি কোৱা হৈছিল।

উদ্যোগিকীকৰণৰ পিছত পুজিপতিসকলৰ অভ্যুত্থান অভিজাত্যৰ লগত জড়িত হৈ পৰিছিল আৰু পিছলৈ ই এটা মুল বা প্ৰধান শ্ৰেণী হৈ পৰিছিল য'ত অভিজাত শ্ৰেণীৰ মানুহবোৰ অ-অভিজাত শ্ৰেণীৰ মানুহলৈ নিৰ্বাশিত হৈ পৰিছিল। এয়া অভিজাত্যৰ বাবে সহজে হজম কৰিব পৰা সম্ভৱ নাছিল। অভিজাত শ্ৰেণী আৰু ভূ/মাটি/ভূমি প্ৰভু (Land lords) সকলে পুজিপতিসকলৰ দমনৰ বিৰুদ্ধে বিৰোধ প্ৰদৰ্শন কৰিছিল আৰু শ্ৰমিক আৰু খেতিয়ক শ্ৰেণীৰ সহানুভুতি লাভ কৰাৰ আশাৰে তেওঁলোকে পুজিপতিসকলক আক্ৰমণ/নিৰ্দেশ কৰিছিল। অভিজাত শ্ৰেণীৰ মানুহবোৰে তেওঁলোকৰ অনুভৱবোৰ তেওঁলোকৰ নতুন শিক্ষক/মালিকৰ বিৰুদ্ধে কিছুমান ব্যংগ কাৰিতাৰ মাজেৰে প্ৰকাশ কৰিছিল আৰু কিছুমান ভৱিষ্যৎ বাণী কৰিছিল পুজিপতিসকলক ভৱিষ্যৎতে তেওঁলোকক নৰকত পচি মৰিবলৈ অভিশাপ দিছিল। এয়াই আছিল সামন্তবাদী সমাজবাদৰ উৎপত্তি।

সামন্তবাদীসকলে দেখুৱাই দিছিল যে পুজিপতিসকল শোষণকাৰী, কিন্তু তেওঁলোকে পাহৰি গৈছিল যে তেওঁলোকো শোষণকাৰীয়ে আছিল। অভিজাত শ্ৰেণীৰ মানুহবোৰে লিখিত মানুহক কিছুমান সৰু সৰু কিতাপ লিখিবলৈ উদ্ধুদ্ধ কৰিছিল যিয়ে পুজিপতিসকলৰ প্ৰকৃতি আৰু শোষণৰ প্ৰভাৱবোৰ উদঙাই দেখুৱাব।

দ্বিতীয় প্ৰকাৰৰ সমাজবাদ হ'ল সামান্য-পুজিপতি শ্ৰেণী সমাজবাদ। সামান্য পুজিপতি এনে এটা শ্ৰেণী যি সৰ্বাহাৰা আৰু পুজিপতি শ্ৰেণীৰ মাজত থকা শ্ৰেণী সততে গঠিত হয় পুজিপতি সমাজৰ এটা সহায়ক উপাদান হিচাপে।

সামান্য পুজিপতি শ্ৰেণীৰ সদস্যসকলে পুজিপতি ব্যৱস্থাৰ এক বৰ চোকা বিশ্লেষণ কৰিছিল আৰু ইয়াৰ মাজত থকা বিৰোধবোৰ প্ৰকাশ কৰি উলিয়াইছিল, ই পুজিবাদক সকলো

ধৰণৰ বেয়া বা কুপ্ৰভাৱবোৰৰ বাবে জগৰীয়া কৰিছিল। সামান্য পুজিপতি সমাজবাদে পুজিবাদক মেচিনৰ ব্যৱহাৰ আৰু শ্ৰমৰ শ্ৰেণীবিভাজনৰ বাবে গৰিহনা দিছিল। ই সৰ্বহাৰাৰ দুৰ্ভাগ্য উৎপাদনৰ স্বেচ্ছাচাৰিতা, সম্পত্তিৰ বা ধনৰ বিতৰনত হোৱা স্থুল অসমতা, ঔদ্যোগিক যুঁজ পাৰস্পৰিক বিনাশ বা ধ্বংসৰ বাবে ৰাষ্ট্ৰৰ দায়িত্ব আৰু পুৰনা পৰিয়ালবোৰৰ মাজত হোৱা ভাঙোনবোৰৰ বাবে সামান্য পুজিবাদে পুজিবাদক জগৰীয়া কৰিছিল। কিন্তু বাস্তৱতে সামান্য পুজিবাদী সমাজবাদে উৎপাদনৰ পুৰণা পদ্ধতিবোৰক পুৰনা সম্পত্তি সম্পৰ্ক বা সম্বন্ধেৰে/বা ব্যৱস্থাৰে পুনৰ প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল।

ফ্ৰান্সত সমাজবাদী চিন্তাধাৰা এটাৰ বিকাশ হৈছিল। জাৰ্মান দাৰ্শনিকসকলে ফ্ৰান্সৰ দাৰ্শনিক চিন্তাবোৰৰ মুলনীতি সমূহ ধাৰ কৰিছিল আৰু তাক জাৰ্মানৰ মাটিত/ভুমিত ব্যৱহাৰ কৰিছিল। কিন্তু দুয়োখন ৰাষ্ট্ৰৰ সামাজিক ৰাজনৈতিক অৱস্থাবোৰ একে নাছিল আৰু ইয়াৰ ফলস্বৰূপে ফৰাচী সমাজবাদৰ মুল ধাৰণাবোৰ লক্ষ্যনীয়ভাৱে ভাঙি গৈছিল। সামাজিক লক্ষ্যবোৰক উপলব্ধি কৰিবলৈ জাৰ্মান সমাজবাদীসকলে ৰাজনৈতিক আন্দোলন দাবী কৰিছিল, যেনে চৰকাৰী আৰু পুজিপতি আইন কানুন সমূহৰ অৱদমন কৰা উপায়বোৰক ধ্বংস কৰা, স্বাধীনতা আৰু সমতাক স্থাপন কৰা, ছপাশালৰ স্বাধীনতাক ৰক্ষণাবেক্ষণ দিয়া। কিন্তু দুৰ্ভাগ্যক্ৰমে জাৰ্মান সমাজবাদী সকলে সৰ্বহাৰাক ৰক্ষণাবেক্ষণ দিয়াত বা তেওঁলোকৰ অধিকাৰ সমূহক ৰক্ষা কৰাৰ ক্ষেত্ৰত নিজৰ পটুটা দেখুৱাব নোৱাৰিলে।

আকৌ, সমাজবাদৰ ৮ প্ৰকাৰৰ বেলেগ বেলেগ প্ৰকাৰ আছে। ইয়াত এই প্ৰকাৰবোৰৰ প্ৰবক্তাসকল নিজৰ মাজতেই পৃথক আছিল কেনেকৈ পুজিবাদক আটাইতকৈ ভালদৰে সমাজবাদলৈ পৰিৱৰ্তন কৰিব পাৰি। তেওঁলোকে সমাজবাদৰ বিভিন্ন দিশবোৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। এইবোৰেই সমাজবাদৰ ভাগমতে সমাজবাদৰ প্ৰধান বিভাগ।

গণতান্ত্ৰিক সমাজবাদ ঃ উৎপাদনৰ উপায়বোৰক বনুৱা বা শ্ৰমিক শ্ৰেণীয়ে পৰিচালনা কৰে আৰু ইয়াত গণতান্ত্ৰিক ভাৱে নিৰ্বাচিত চৰকাৰ এখন থাকে। কেন্দ্ৰীয় পৰিচালনাই উমৈহতীয়া বস্তুসমূহৰ বিতৰণ কৰে যেনে সৰহ বস্তু অনা-নিয়া কৰা কাৰ্য্য, ঘৰ/বাসস্থান আৰু শক্তি, আনহাতে মুক্ত বজাৰে গ্ৰাহকৰ বস্তুসমূহ বিতৰণ কৰাৰ অনুমতি লাভ কৰে।

বৈপ্লৱিক সমাজবাদ ঃ সমাজবাদৰ তেতিয়াহে অভ্যুত্থান হ'ব যেতিয়া পুজিবাদ ধ্বংস হ'ব। "There is no peaceful road to Socialism" শ্ৰমিকসকলেই উৎপাদনৰ উৎসসমূহ অশুৱণ কৰে আৰু কেন্দ্ৰীয় পৰিকল্পনাৰ সহায়ত তেওঁলোকেই সেইবোৰক পৰিচালনা কৰে।

মুক্তিবাদী সমাজবাদ ঃ মুক্তিবাদৰ মতে মানুহৰ মুল প্ৰকৃতিটো হ'ল বৌদ্ধিক, স্বাধীন আৰু আত্ম-নিয়ম। এবাৰ পুজিবাদৰ গাঁথনি সমূহ আতৰ হোৱাৰ পিছতেই মানুহে স্বাভাৱিকতেই এনেকুৱা এখন সমাজবাদী সমাজ বিচাৰে যিয়ে সকলোৰে খেয়াল ৰাসে আৰু যি সকলো সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক উচ্চ-নীচ ভেদভাৱৰ পৰা মুক্ত হয়। তেওঁলোকে ইয়াক তেওঁলোকৰ নিজৰ আত্মৰুচিৰ বাবে আটাইতকৈ ভাল বুলি গণ্য কৰে।

বজাৰ সমাজবাদ ঃ ইয়াত উৎপাদন ক্ষমতাটো বনুৱা বা শ্ৰমিক শ্ৰেণীয়ে পৰিচালনা কৰে। তেওঁলোক নিজে নিজেই কেনেকৈ এইবোৰ বিতৰণ কৰিব সিদ্ধান্ত গ্ৰহণ কৰে। তেওঁলোকে অতিৰিক্ত উৎপাদনসমূহ মুক্ত বজাৰত বিক্ৰী কৰিছিল। তাৰ ওলোটাকৈ ই আকৌ সমাজলৈ ঘুৰি যাব যিখিনি আকৌ মুক্ত বজাৰ মতে বিতৰণ কৰিব।

সেউজীয়া সমাজবাদ ঃ এই প্ৰকাৰৰ সমাজবাদী অৰ্থনীতিয়ে প্ৰাকৃতিক উৎসসমূহৰ পৰিচালনাক আটাইতকৈ বেছি মুল্য প্ৰদান কৰে। ডাঙৰ ডাঙৰ কৰ্পৰেচনসমূহৰ ৰাজহুৱা মালিকীস্বত্বই ইয়াক লাভ কৰিব পাৰে। ই আকৌ ৰাজহুৱা অনা-নিয়া ব্যৱস্থা আৰু স্থানীয়ভাৱে পোৱা খাদ্যৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। উৎপাদন ব্যৱস্থাটোই প্ৰধানকৈ এই কথাটোৰ ওপৰত গুৰুত্ব প্ৰদান কৰে যে প্ৰত্যেকজন মানুহেই উৎপাদিত সামগ্ৰী মানুহ এজনক যিমান প্ৰয়োজন নহয় তাতকৈ বেছিকৈ মৌলিক প্ৰয়োজন সমূহ পুৰাবলৈ সুবিধা পাইছে। এনেকুৱা ধৰণৰ অৰ্থনীতিয়ে প্ৰত্যেকৰ বাবে জীয়াই থকাৰ বাবে বা প্ৰয়োজনীয় দৰমহা বা হাজিৰা খিনি প্ৰদান কৰিব পাৰে।

খ্ৰীষ্ট্ৰীয়ান সমাজবাদ ঃ সমাজবাদে একে ধৰনৰেই খ্ৰীষ্ট্ৰীয়ান ভাতৃত্ববোধৰ শিকনিসমূহৰ একে মুল্যই প্ৰকাশ কৰে।

আদৰ্শগত সমাজবাদ ঃ ইয়াত এখন মূৰ্ত পৰিকল্পনাতকৈ এখন সমতাৰ সপোন বা সমতাৰ দৃষ্টিহে ৰখা হৈছিল। এই সমাজবাদ শতিকাৰ আগতে উদ্যোগীকৰণ আৰম্ভ হোৱাৰ আগতেই আৰম্ভ হৈছিল। এই ধৰণৰ সমাজবাদ শান্তিমতে লাভ কৰিব পৰা যায় এক ধৰণৰ পৰীক্ষা নিৰীক্ষামূলক সমাজৰ দ্বাৰা।

অৰসৰপূৰ্ণ বা লেহেমীয়া সমাজবাদ ঃ এই ধৰণৰ সমাজবাদৰ শতিকাৰ পিছৰ ফালে ব্ৰিটিছ সংস্থা এটাই বৰকৈ প্ৰশংসা কৰিছিল। এই সমাজবাদে সমাজবাদত আইন কানুন, নিৰ্বাচন আৰু আন কিছুমান শান্তিপূৰ্ণ উপায়েৰে লেহেমীয়াগতিত পৰিৱৰ্তন অনাৰ কথা কৈছিল।

১২.৫ সমাজবাদৰ গুণ আৰু অৱগুণ

Prof. Schumpeter এ সমাজবাদৰ সমৰ্থনত চাৰিপ্ৰকাৰৰ যুক্তি প্ৰদৰ্শন কৰিছিল। বৃহৎ অৰ্থনৈতিক পাৰদৰ্শিতা, কৰ্মপৰিমানৰ অসমতাৰ বাবে হোৱা কল্যাণ; একাধিপত্যমুলক অভ্যাস বা কৰ্মৰ অনুপস্থিতি আৰু ব্যৱসায়িক উত্থান-পতনৰ অনুপস্থিতি। আমি সমাজবাদৰ এই গুণসমূহ এটা এটাকৈ আলোচনা কৰো—

বৃহৎ অৰ্থনৈতিক পাৰদৰ্শিতা ঃ সমাজবাদৰ অধীনত থকা অৰ্থনৈতিক পাৰদৰ্শিতা পুজিবাদৰ অধীনত থকা পাৰদৰ্শিতাতকৈ ডাঙৰ। উৎপাদনৰ উপায় বা পথবোৰ কেন্দ্ৰীয় পৰিচালনা সমিতিৰ মতে নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰা হয় কিছুমান বাচনি কৰা লক্ষ্যৰ প্ৰতি। কেন্দ্ৰীয় পৰিচালনা সমিতিয়ে উৎসসমূহৰ এটা বৰ সৰ্বব্যাপী বা স্পষ্ট বা সম্পূৰ্ণ চাৰ্ভে কৰে আৰু সেইবোৰক

আটাইতকৈ বেছি পাৰদৰ্শী ধৰনে ব্যৱহাৰ কৰে। পুজিবাদতকৈ সমাজবাদৰ বেছি ডাঙৰ অৰ্থনৈতিক পাৰদৰ্শিতা আছে। অৰ্থনৈতিক পাৰদৰ্শিতা আহৰণ কৰা হয় উৎসসমূহক ব্যৱহাৰ কৰি সামাজিকভাৱে প্ৰয়োজনীয়/দৰকাৰী বস্তু আৰু সেৱাৰ উৎপাদন কৰি যিয়ে মানুহৰ মৌলিক ইচ্ছা বা প্ৰয়োজন সমূহক সন্তুষ্ট কৰে। আয় উপাৰ্জনৰ ক্ষেত্ৰত কম অসমতাৰ বাবে ই বেছি কল্যাণ সাধন কৰিব পাৰে। এনেকুৱা ধৰণৰ অৰ্থনীতিত একাধিপত্যৰ কুচ-কাৱাজৰ অনুপস্থিতি থাকে অনুপস্থিত থাকে। ব্যৱসায়িক উত্থান পতনবোৰো উপস্থিত নাথাকে আৰু সেইবাবে ইয়াত কোনো ধৰণৰ নিবনুৱা সমস্যা বা হতাশাৰ সমস্যাৰ অৱকাশ নাথাকে।

কম পৰিমাণৰ অসমতাৰ বাবে হোৱা কল্যাণ ঃ সমাজবাদী অৰ্থনীতিত পুজিবাদী অৰ্থনীতিৰ তুলনাত উপাৰ্জনৰ ক্ষেত্ৰত কম পৰিমাণৰ অসমতা থাকে কাৰণ ইয়াত উৎপাদনৰ পথ বা উপায়বোৰৰ ব্যক্তিগত মালিকীস্বত্ব নাথাকে, ব্যক্তিগত মুলধন সংগ্ৰহ আৰু ব্যক্তিগত মুনাফাৰ কথা গুৰুত্ব দিয়া নহয়। প্ৰত্যেকজন নাগৰিকেই ৰাষ্ট্ৰখনৰ কল্যাণৰ বাবে কাম কৰে আৰু প্ৰত্যেকেই তেওঁলোকৰ নিজৰ নিজৰ দক্ষতা, শিক্ষা আৰু ট্ৰেইনিং অনুসৰি তেওঁলোকৰ দৰমহা দিয়া হ'ব। বিভিন্ন উৎসৰ পৰা পোৱা সকলো ভাৰা, সুত আৰু লাভ ৰাষ্ট্ৰই লাভ কৰিব পাৰিব আৰু ৰাষ্ট্ৰই সেইবোৰ মুক্ত শিক্ষা, কম খৰচ আৰু বসবাসৰ যোগ্য ঘৰ/বাসস্থান, মুক্ত বা বিনামুলীয়া চিকিৎসা সেৱা আৰু মানুহৰ সামাজিক নিৰাপত্তাত খৰচ কৰে।

সমাজবাদৰ অধীনত বনুৱা বা শ্ৰমিকসকলক আৰু কোনো দিনে শোষণ কৰা নহয় কাৰণ তেওঁলোকে উৎপাদনৰ উপায়বোৰ নিজৰ কৰি লয়। শ্ৰমিকসকলৰ নিজৰ নিজৰ ব্যক্তিগত অৱদান অনুসৰি লাভৰ অংশসমূহে তেওঁলোকৰ মাজত বিতৰণ কৰা হয়। যিসকলে কাম কৰিব নোৱাৰে তেওঁলোকৰ বাবে ক-অপাৰেটিভ ব্যৱস্থাই কাম কৰোৱা ব্যৱস্থা কৰে। এই ব্যৱস্থাটোৱে তেওঁলোকৰ বা সমস্ত সমাজখনৰ বাবে বা গোটেই সমাজখনৰ ভালৰ বাবে তেওঁলোকৰ মৌলিক প্ৰয়োজন সমূহ পুৰণ কৰে। এই পদ্ধতিটোৱে দৰিদ্ৰতা আঁতৰ কৰে। এই ব্যৱস্থাটোৱে চিকিৎসা সেৱা আৰু শিক্ষা দুয়োটা ক্ষেত্ৰতেই সমানেই সুবিধা প্ৰদান কৰে। ইয়াত কাকো ভেদভাৱ কৰা নহয়। প্ৰত্যেকেই নিজৰ নিজৰ পচন্দ অনুযায়ী আৰু নিজে যি ক্ষেত্ৰত পাৰ্গত সেই ক্ষেত্ৰত কাম কৰে আৰু নিজে যি কৰি ভাল পায় তাক কৰি উপভোগ কৰে। যদি এখন সমাজে এনেকুৱা এটা কাম হোৱাটো বিচাৰে যিটো কোনোৱে নিবিচাৰে, তেনেক্ষেত্ৰত সমাজখনে এনে এটা উচ্চ সহায় বা ক্ষতিপুৰণ দিব যাতে এই ক্ষতিপুৰণ কামটোক মুল্যবান কৰি তোলে। সকলোৰে ভালৰ বাবে প্ৰাকৃতিক উৎসবোৰক সংৰক্ষণ কৰি ৰখা হয়।

একাধিপত্য বা একচেতীয়া অভ্যাস বা কৰ্মৰ অনুপস্থিতি ঃ সমাজবাদৰ আন এটা সুবিধা হ'ল এয়ে যে ই একচেতীয়া বা একাধিপত্যমূলক অভ্যাস সমূহৰপৰা মুক্ত যিবোৰ পুজিবাদী সমাজ এখনত পোৱা যায়। যিহেতু সমাজবাদৰ অধীনত সকলো প্ৰকাৰৰ উৎপাদনৰ উপায়সমূহ ৰাষ্ট্ৰৰ হাততেই থাকে, সেয়েহে প্ৰতিযোগিতা আৰু একাধিপত্য দুয়োটাই নোহোৱা হৈ যায়।

একাধিপত্য বা একচেতীয়া ব্যৱসায় বা অভ্যাসৰ পৰা হোৱা শোষণবোৰ ইয়াত অনুপস্থিত থাকে। ব্যক্তিগত একাধিপত্যতাৰ পৰিৱর্তে, ইয়াত উৎপাদন ব্যৱস্থাটোৰ ৰাষ্ট্ৰীয় একাধিপত্যতা থাকে কিন্তু এইয়াও কৰা হয় কেৱল মানুহৰ কল্যাণৰ বাবে। ৰাষ্ট্ৰৰ হাতত থকা কাৰখানাসমূহত উচ্চ মান বিশিষ্ট সামাজিকভাৱে উপকাৰী সামগ্ৰীকসমূহ উৎপাদন কৰা হয় আৰু সেইবোৰৰ দামো সঠিকভাৱে নির্ধাৰণ কৰা হয়।

ব্যৱসায়িক উত্থান পতনৰ অনুপস্থিতি ঃ এটা সমাজবাদী অর্থনীতি ব্যৱসায়িক উত্থান পতনৰ পৰা মুক্ত। ইয়াত অর্থনৈতিক সুস্থিৰতা আছে কাৰণ পৰিকল্পনাৰ উদ্দেশ্য, লক্ষ্য আৰু গুৰুত্ব অনুসৰি কেন্দ্ৰীয় পৰিকল্পনা সমিতিয়ে বস্তু আৰু সেৱাসমূহৰ উৎপাদন আৰু উপভোগক পৰিচালনা কৰে। এনেদৰে ইয়াত অধিক উৎ পাদনে নাই নাইবা নিবনুৱা বা কর্মহীনতা নাই বা নহয়।

সমাজবাদৰ অৱগুণ ঃ

সমাজবাদৰ আটাইতকৈ ডাঙৰ অৱগুণ বা অসুবিধাটো হ'ল যে ই মানুহৰ সহযোগী ভাৱে কাম কৰাৰ প্ৰকৃতি বা স্বভাৱটোৰ ওপৰত বিশ্বাস কৰে। ই সমাজখনৰ সেইখিনি মানুহক অৱহেলা কৰে। যি সকলৰ প্ৰতিযোগিতামূলক আছে, সহযোগী বা একেলগে মিলিজুলি কাম কৰাৰ ইচ্ছা বা মনোভাৰ নাই। প্ৰতিযোগীতামূলক মনোভাৱৰ মানুহবোৰে তেওঁলোকৰ নিজৰ লাভৰ বাবে সমাজখনক বাদ দিয়াৰ বা দলিয়াই পেলোৱাৰ আৰু তাক আমনি বা অসুবিধা দিয়াৰ সুবিধা বিচাৰি থাকে। পুজিবাদে "লোভেই কাল" বোলা কথাযাৰক সমর্থন কৰে। সমাজবাদে এনেকুৱা ভাও ধৰে যে ই যেন অস্তিত্বশীল নহয়। ফলস্বৰূপে, সমাজবাদে মানুহক উদ্যম ব্যৱসায়ী মনোভাৱক প্ৰশংসা নকৰে। ই পুজিবাদী সমাজৰ দৰে অভিনৱ পদক্ষেপ ল'বলৈ চেষ্টা কৰে বা সংগ্ৰাম কৰে। তৃতীয়টো অসুবিধা হ'ল এয়ে যে চৰকাৰৰ যথেষ্ট ক্ষমতা আছে। এইটোৱে কেৱল তেতিয়ালৈকে কাম কৰিব যেতিয়ালৈকে ইয়াৰ বাবে মানুহৰ ইচ্ছা থাকে। কিন্তু চৰকাৰী নেতাবোৰে এই স্থিতিটোক হানি কৰিব পাৰে বা ইয়াৰ ক্ষতি/মুনাফা আদায় কৰিব পাৰে আৰু তেওঁলোকে নিজৰ বাবে ক্ষমতা দাবী কৰিব পাৰে।

সমাজবাদী অর্থনীতিৰো কিছুমান অৱগুণ আছে যেনে উৎপাদনৰ সামগ্ৰীসমূহ পচন্দ বা বাচনি কৰোতে ইয়াত ভোক্তাৰ স্বাধীনতা নোহোৱা হৈ পৰে। তেওঁলোকে কেৱল সেইবোৰ সামগ্ৰীহে কিনিব পাৰে যিবোৰ সেই সামগ্ৰী বিক্ৰী কৰা দোকানত থাকিব। এই ব্যৱস্থাটোত জীৱিকাৰ কোনো স্বাধীনতা নাথাকে আৰু তেওঁলোকে কিন্তু ইয়াক এৰিবও নোৱাৰে বা সলাবও নোৱাৰে। উৎসৰ একপক্ষীয় আবণ্টন সমাজবাদত প্ৰবল দেখা দিয়ে আৰু কেন্দ্ৰীয় পৰিচালনা সমিতিয়ে এই উৎস সমুহৰ আবণ্টনত ভুল কৰে। সমাজবাদ বেছিকৈ পুজিবাদৰ বৈশিষ্ট্য বিদ্যমান আৰু মেচিনৰ দৰে কাম কৰে। যিসকল মানুহে হাড়ভগা পৰিশ্ৰম কৰে সমাজবাদে কোনো প্ৰয়োজনীয় আগভাগ নলয়। সেয়েহে, সমাজবাদৰ কিছুমান অৱগুণ তলত উল্লেখ কৰা হ'ল—

ভোক্তাৰ স্বাধীনতাৰ হানিলোকচানঃ সমাজবাদী অৰ্থনীতিত ভোক্তাৰ স্বাধীনতা লোকচান হয় । ইয়াত ভোক্তাই বিচাৰে বা যি কিনিবলৈ তেওঁলোকৰ কোনো স্বাধীনতা নাথাকে। তেওঁলোকে কেৱল সেইবোৰ সামগ্ৰীহে কিনিব পাৰে যিবোৰ তাৰ দোকানত মজুত থাকে। প্ৰায়ে তেওঁলোকে কিমান পৰিমানৰ বস্তু কিনিব পাৰিব সেইখিনি ৰাষ্ট্ৰইহে নিৰ্ধাৰণ কৰে।

জীৱিকাৰ কোনো স্বাধীনতা নাথাকে ঃ এনেকুৱা ধৰণৰ সমাজত জীৱিকাৰ কোনো স্বাধীনতা নাথাকে। প্ৰত্যেকজন মানুহকে ৰাষ্ট্ৰই জীৱিকা বা চাকিৰ প্ৰদান কৰে। কিন্তু তেওঁ সেই চাকৰিটো এৰিবও নোৱাৰে বা সলনি কৰিবও নোৱাৰে। আনকি কাম-কৰা ঠাইখিনিও ৰাষ্ট্ৰই ঠিক কৰি দিয়ে। সকলো ধৰণৰ জীৱিকাৰ গতি বা কাম কাজবোৰ ৰাষ্ট্ৰই ঠিক কৰি দিয়ে।

উৎসসমূহৰ আৱণ্টনত একাধিপত্য ঃ সমাজবাদৰ অধীনত, উৎসসমূহৰ আৱণ্টনতএকাধিপত্যতা চলে। কেন্দ্ৰীয় পৰিচালনা সমিতিয়ে মাজে সময়ে উৎসসমূহৰ আৱণ্টনত ভুল কৰে কাৰণ সমস্ত কামখিনি চেষ্টা আৰু ভুল এইয়াৰ আধাৰত হে কৰা হয়।

পুজিবাদী ঃ এখন সমাজবাদী অৰ্থনীতিক এখন পুজিবাদী অৰ্থনীতি বুলিহে কোৱা হয়। ই এটা মেচিনৰ দৰে কাম কৰে। ই মানুহক কঠোৰ পৰিশ্ৰম কৰিবলৈ কোনো ধৰণৰ অনুপ্ৰেৰণা নোযোগায়। মানুহে কেৱল উৰ্ধতম কৰ্তৃপক্ষৰ ভয়তহে কাম কৰে আৰু তেওঁলোকে কোনো ধৰণৰ ব্যক্তিগত লাভ বা আত্ম-অভিৰুচিৰ বাবে কাম নকৰে। ইয়াত কোনো সন্দেহ নাই যে এখন সমাজবাদী অৰ্থনীতি এখন পুজিবাদী অৰ্থনীতিতকৈ বেছি ভাল ইয়াৰ অপৰিহাৰ্য্য গুণবোৰৰ বাবে। কিন্তু ইয়াক বেয়া পোৱা হয় কাৰণ ইয়াত ৰাজনৈতিক, অৰ্থনৈতিক আৰু ব্যক্তিগত স্বাধীনতা নোহোৱা হৈ যায়।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন ৩ ঃ তলৰ বাক্যবোৰ সঁচা নে মিছা লিখক —

(ক) Manifesto ৰ মতে সমাজবাদৰ প্ৰকাৰ তিনি প্ৰকাৰৰ সামন্তবাদীপুজিবাদ, পুজিপতি সমাজবাদ আৰু আদৰ্শগত সমাজবাদ। (সঁচা/মিছা)

(খ) সমাজবাদ এটা গুণ হ'ল বৃহৎ অৰ্থনৈতিক পাৰদৰ্শিতা। (সঁচা/মিছা)

.....

.....

প্ৰশ্ন ৪ ঃ সমাজবাদত মানুহৰ জীৱিকাৰ কোনো স্বাধীনতা নথকা মানে কি?

.....

.....



চিন্তা চৰ্চা কৰক ১২.২

সমাজবাদৰ দুটা গুণ চমুকৈ উল্লেখ কৰক।



১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমাজবাদ নামৰ পদটোৱে এনেকুৱা ব্যৱস্থা এটাক নিৰ্দেশ কৰে য'ত বস্তু আৰু কৰ্মৰ উৎপাদন আৰু বিতৰণ এটা দল বা শ্ৰেণীৰ মানুহৰ দায়িত্ব হয়।
- সমাজবাদ হ'ল অৰ্থনৈতিক আৰু সামাজিক ব্যৱস্থাসমূহৰ এক ক্ষেত্ৰ যি উৎপাদন আৰু কৰ্মী বা বনুৱাৰ আত্ম-পৰিচালনাৰে গঠিত হোৱা সামাজিক নিজস্বীকৰণ আৰু য'ত এইবোৰৰ লগত জড়িত হৈ থাকে ৰাজনৈতিক তত্ব আৰু আন্দোলন। এই সামাজিক নিজস্বীকৰণ ৰাজহুৱা, সমষ্টিগত বা সমবায়ী নিজস্বীকৰণ, বা সমতাৰ ভিত্তিত স্থাপন হোৱা নাগৰিকৰ নিজস্বীকৰণো হ'ব পাৰে।
- 'সমাজবাদ' পদটো Pierre Leroux আৰু ফ্ৰান্সৰ Marie Roch Lousis Reybaud ক সমৰ্পিত কৰিব পাৰি আৰু লগতে ব্ৰিটেইনৰ Robert Owen সমৰ্পিত কৰিব পাৰি যে আছিল এই সমবায়ী আন্দোলনৰ প্ৰথম প্ৰৱক্তা।
- বিজ্ঞান হিচাপে, সমাজবাদৰ নিজৰ আইন কানুন আৰু শ্ৰেণী (Catigonio) আছে, যিবোৰ পুজিঁবাদক সাম্যবাদীসমাজলৈ আনিবৰ বাবে হোৱা বৈপ্লৱিক পৰিৱৰ্তনৰ মূল দিশসমূহ উন্মুক্ত কৰে।
- একধৰণৰ শ্ৰেণী বিভাজন মতে সমাজবাদ তিনি প্ৰকাৰৰ সামন্তবাদী সমাজবাদ, পুজিপতি সমাজবাদ আৰু আদৰ্শগত সমাজবাদ।
- সমাজবাদৰ ৮ প্ৰকাৰৰ আছে — গণতান্ত্ৰিক সমাজবাদ, বৈপ্লৱিক সমাজবাদ, মুক্তিবাদী সমাজবাদ, বজাৰ সমাজবাদ, সেউজীয়া সমাজবাদ, খ্ৰীষ্ট্ৰীয়ান সমাজবাদ, আদৰ্শগত সমাজবাদ, অৱসৱপূৰ্ণ বা লেহেমীয়া সমাজবাদ।



১২.৭ অধিক জানিবলৈ

1. Howe, Irving, (ed) 1986, Essential Works of socialism, Yale University Press, 3rd ed, Harrington, Richael, 2011, Socialism : Past and Future Arcade, 1st ed.

2. Sunkana, Bhaskar, 2019, The Socialist Manifesto, Atlantic Publishars and Distributors, Marn, Karl, 2016 (nov.) Capital (Das Capital), Vol. 1,2,3
3. Cape, Jonathaw, 1936, Socialism : An Economic and Sociological Analysis, London.



১২.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সঁচা

(খ) সঁচা

২ নং প্ৰশ্নৰ উত্তৰ ঃ সমাজবাদ নামৰ পদটোৱে এনেকুৱা ব্যৱস্থা এটাক নিৰ্দেশ কৰে য'ত বস্তু আৰু কৰ্মৰ উৎপাদন আৰু বিতৰণ এটা দল বা শ্ৰেণীৰ মানুহৰ দায়িত্ব হয়। সমাজ বাদ অৰ্থনৈতিক আৰু ৰাজনৈতিক তত্বৰ ওপৰত নিৰ্ভৰশীল যিয়ে সমষ্টিবাদক সমৰ্থন কৰে। সমাজবাদী ৰাষ্ট্ৰ এখনত কোনো ধৰণৰ ব্যক্তিগত সম্পত্তি নাথাকে। কার্ল মার্ক্সৰ দ্বাৰা বিকশিত তত্বৰোৰত, সমাজবাদ হ'ল পুজিবাদ আৰু সাম্যবাদৰ মাজৰ এক মাধ্যম যিয়ে বিশ্বাস কৰে যে সকলো মানুহ সমান আৰু এই বিশ্বাসৰ ওপৰত আধাৰিত ব্যৱস্থাৰোৰত ৰাষ্ট্ৰৰ টকা আৰু ৰাজনৈতিক ব্যৱস্থাৰোৰত সমানে ভাগ লোৱা। সমাজবাদ ৰাষ্ট্ৰৰোৰৰ মাজত ৰৰ্তি থাকিব পাৰে এক সামগ্ৰিক অৰ্থনৈতিক ব্যৱস্থা স্বৰূপে বা কিছুমান অংশত বা ভাগত যেনে কৰ্পৰেচন, স্বাস্থ্য ক্ষেত্ৰত, ৰাজহুৱা শিক্ষা বা শিক্ষা ব্যৱস্থাত।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সঁচা, (খ) সঁচা

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সমাজবাদত মানুহৰ জীৱিকাৰ কোনো স্বাধীনতা নথকা মানে হ'ল এনেকুৱা ধৰণৰ সমাজত জীৱিকাৰ কোনো স্বাধীনতা নাথাকে। প্ৰত্যেকজন মানুহকে ৰাষ্ট্ৰই জীৱিকা বা চাকিৰ প্ৰদান কৰে। কিন্তু তেওঁ সেই চাকৰিটো এৰিবও নোৱাৰে বা সলনি কৰিবও নোৱাৰে। আনকি কাম-কৰা ঠাইখিনিও ৰাষ্ট্ৰই ঠিক কৰি দিয়ে। সকলো ধৰণৰ জীৱিকাৰ গতি বা কাম কাজবোৰ ৰাষ্ট্ৰই ঠিক কৰি দিয়ে।



১২.৯ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ Maurice Comfort ৰ মতে সমাজবাদৰ সংজ্ঞা দিয়া।

প্ৰশ্ন ২ ঃ সমাজবাদ পদটো প্ৰথম বাৰৰ বাবে কেতিয়া ব্যৱহাৰ কৰা হৈছিল?

প্ৰশ্ন ৩ ঃ "Manifesto" ৰ শ্ৰেণী বিভাগ মতে সমাজবাদ কেই প্ৰকাৰৰ?

প্ৰশ্ন ৪ ঃ গণতান্ত্ৰিক সমাজবাদ কি?

প্ৰশ্ন ৫ ঃ সমাজবাদৰ এটা গুণ উল্লেখ কৰক।

(খ) চমু প্ৰশ্ন (প্ৰায় ১৫০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ বৈপ্লৱিক সমাজবাদৰ বিশ্লেষণ কৰক।

প্ৰশ্ন ২ ঃ সমাজবাদৰ প্ৰকৃতি সম্পৰ্কে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ সমাজবাদৰ গুণসমূহৰ বিষয়ে এটি চমুটোকা লিখক।

গ) দীঘল প্ৰশ্ন (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ সমাজবাদৰ অৰ্থ আৰু সংজ্ঞাৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ সমাজবাদৰ কিমানবোৰ প্ৰকাৰ আছে? সেই সকলোবোৰ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ সমাজবাদৰ গুণ আৰু অৱগুণ সমূহৰ ওপৰত এটি সমালোচনামূলক টোকা লিখক।

****